# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI

0000000000

**Date :** 30-12-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

**:::::::::::::::::::::::::::::::**

গুৱাহাটী পৌৰ নিগমে নতুন বছৰত মহানগৰীখনৰ উন্নয়নৰ বাবে এলানি কাৰ্যসূচী গ্ৰহণ কৰিছে বুলি পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াই প্ৰকাশ কৰিছে। আজি এখন সংবাদমেলত শ্ৰীশৰণীয়াই  নতুন বছৰত মহানগৰীৰ প্ৰতিটো ৱাৰ্ডত কমেও পাঁচটাকৈ সামূহিক শৌচাগাৰ নিৰ্মাণ কৰা হ'ব বুলি জানিবলৈ দিয়ে। ইয়াৰ লগতে নতুন বছৰত প্ৰতিটো ৱাৰ্ডত তিনি-চাৰিটাকৈ সমূহীয়া সভাঘৰ আৰু পাঁচটাকৈ পথ নিৰ্মাণৰ কামো হাতত লোৱা হৈছে বুলি তেওঁ প্ৰকাশ কৰে। মহানগৰীত ১০ হাজাৰ ষ্ট্ৰীট লাইট স্থাপনৰ পৰিকল্পনা সদৰি কৰি মেয়ৰগৰাকীয়ে কয়, যে জানুৱাৰীৰ শেষত আৰু ফেব্ৰুৱাৰীৰ প্ৰথম ভাগত মুখ্যমন্ত্ৰীয়ে গুৱাহাটীৰ তিনিখন প্ৰধান বজাৰ উলুবাৰী, গণেশগুৰি আৰু বেলতলা উদ্বোধন কৰিব। ব্যৱসায়ীসকলৰ সুবিধাৰ্থে মহানগৰীত ৮০ টাকৈ ভেণ্ডিং জ'নৰ ব্যৱস্থা কৰা হৈছে বুলি উল্লেখ কৰি মেয়ৰগৰাকীয়ে জানুৱাৰীৰ ভিতৰতে ইয়াৰে ১০ টা কাৰ্যকৰী কৰা হব বুলি প্ৰকাশ কৰে।

০০০০০

এখন অধ্যয়নমুখী সমাজৰ ভেঁটি স্থাপন কৰাৰ প্ৰয়াসেৰে ৰাজ্য চৰকাৰে বিভিন্ন সময়ত পদক্ষেপ গ্ৰহণ কৰি আহিছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত  বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। তেওঁ কয়, যে ২০২৫ বৰ্ষক কিতাপৰ বৰ্ষ হিচাপে উদযাপনৰ ঘোষণাৰ পূৰ্বেই ৰাজ্যত পুথিভঁড়াল  বিপ্লৱ সূচনা কৰাৰ উদ্দেশ্যে ২০২৩-২৪ বৰ্ষৰ মুলধন বিনিয়োগৰ বিশেষ সাহায্য পুঁজিৰ অধীনত ২৫৯ কোটি ৭ লাখ টকাত অনুমোদন জনোৱা হৈছে। ইয়াৰ অধীনত ৰাজ্যৰ ২ হেজাৰ ১৯৭ খন গাওঁ পঞ্চায়ত আৰু ৪০০ টা পৌৰ নিগমৰ ৱাৰ্ডক সামৰি মুঠ ২ হেজাৰ ৫৯৭ টা পুথিভঁড়াল নিৰ্মাণৰ লক্ষ্য লোৱা হৈছে। ইয়াৰ জৰিয়তে শিশু আৰু কিশোৰসকলক কিতাপ আৰু উন্নত শিকণৰ সমল প্ৰদান, ৰাষ্ট্ৰীয় ডিজিটেল পুথিভঁড়ালৰ সৈতে সংহতকৰণৰ লগতে যুৱ প্ৰজন্মৰ মাজত অধ্যয়ন আৰু শিকণৰ মানসিকতা গঢ়ি তোলাৰ বাবে উৎসাহিত কৰিব পৰা যাব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

০০০০০

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেল পথাৰত চলি থকা অসম গ্ৰন্থমেলাৰ আজি চতুৰ্থ দিনাও ভালেকেইটা মনোজ্ঞ অনুষ্ঠানৰ আয়োজন কৰা হয়। প্ৰকাশন পৰিষদৰ উদ্যোগত আজি বিয়লি চলচ্চিত্ৰৰ প্ৰচাৰ আৰু ব্যৱসায় সন্দৰ্ভত এখন আলোচনাসত্ৰ অনুষ্ঠিত হয়। আলোচনাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি মুম্বাইৰ চলচ্চিত্ৰ প্ৰযোজক, পৰিচালক তথা লেখক মনোজ শ্ৰীবাস্তৱে  কয়, যে চলচ্চিত্ৰ হৈছে কাহিনী কোৱা কলা। এখন সুচলচ্চিত্ৰৰ নিৰ্মাণৰ বাবে শক্তিশালী কাহিনীৰ গাথনিৰ প্ৰয়োজনীয়তা সন্দৰ্ভত গুৰুত্ব আৰোপ কৰি শ্ৰীবাস্তৱে কয়,

যে এই কাহিনী বিক্ৰী কৰিব পৰাকৈ গুণ সম্পন্ন ৰূপত প্ৰস্তুত কৰিব পাৰিব লাগিব। আলোচনাত পৰিচালক, চলচ্চিত্ৰ সমালোচক নয়ন প্ৰসাদকে ধৰি আন কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। এইবাৰৰ গ্ৰন্থমেলাত পূৰ্বৰ দৰে গ্ৰন্থপ্ৰেমীৰ বিপুল সঁহাৰি লাভ কৰা গৈছে। বিগত ৪ দিনত গ্ৰন্থমেলাত ২ কোটি ২০ লাখ টকাৰ কিতাপ বিক্ৰী হৈছে বুলি অসম গ্ৰন্থমেলাৰ উদ্যোক্তাসকলে জানিবলৈ দিছে।

ooooo

অসম আৰক্ষীৰ শীৰ্ষ পৰ্যায়ত ৰদবদলৰ বাবে চৰকাৰে নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি অসম আৰক্ষীৰ মহা পৰিদৰ্শক পাৰ্থ সাৰথি মহন্তক গুৱাহাটী মহানগৰীৰ আৰক্ষী আয়ুক্ত হিচাপে নতুন দায়িত্ব দিয়া হৈছে। বৰ্তমানৰ আৰক্ষী আয়ুক্ত দিগন্ত বৰাক অসম আৰক্ষীৰ বিশেষ শাখালৈ বদলি কৰা হৈছে। তেওঁক লগতে ডেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীৰ সঞ্চালকৰ দায়িত্ব অৰ্পন কৰা হৈছে।

ooooo

বড়োলেণ্ড আঞ্চলিক পৰিষদ চমুকৈ বি টি আৰ চৰকাৰে আজি অঞ্চলটোত বসবাস কৰা ২৬টা জনগোষ্ঠীৰ বিকাশৰ বাবে প্ৰস্তুত কৰা বিকাশৰ ৰূপৰেখা সন্নিৱিষ্ট নথি পুস্তক আনুষ্ঠানিকভাৱে প্ৰকাশ কৰে। আজি গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত আয়োজিত এটা অনুষ্ঠানত অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই এই ৰূপৰেখা আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই বি টি আৰৰ এনে উদ্যোগৰ শলাগ লয় আৰু অঞ্চলটোত বসবাস কৰা সকলো জনগোষ্ঠীৰ লোকে বি টি আৰত বিৰাজ কৰা শান্তিৰ পৰিৱেশৰ মাজত উন্নয়নৰ পথত অগ্ৰসৰ হ'ব বুলি আশা প্ৰকাশ কৰে। অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে বি টি আৰ প্ৰশাসনে তেওঁলোকৰ সাংবিধানিক দায়িত্ব আৰু কৰ্তব্য সুচাৰুৰূপে সম্পন্ন কৰি বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত শান্তি আৰু সৌহাৰ্দ্য বৃদ্ধি কৰি প্ৰগতিৰ পথত আগবাঢ়িব বুলি আস্থা প্ৰকাশ কৰে।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ উদ্যোগত কাইলৈ নিশা ৮ বাজি ২ মিনিটত উভতি চাওঁ-২০২৪ শীৰ্ষক এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। বিশিষ্ট চলচ্চিত্ৰ সমালোচক, লেখক উৎপল দত্ত, জ্যেষ্ঠ সাংবাদিক জিতেন্দ্ৰ কুমাৰ চৌধুৰী আৰু আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে অংশগ্ৰহণ কৰিবলগীয়া অনুষ্ঠানটোৰ আঁত ধৰিব মানস প্ৰতিম শৰ্মাই।

ooooo

সমাপ্ত